# অসম বিধান সভাৰ অধিবেশন - ২০২৬
## মৌখিক প্ৰশ্ন নং: ২১৬
## উত্তৰ দিয়াৰ তাৰিখ: ২৪/০৭/২০২৬ ইং

বিষয়: খিলঞ্জীয়া লোকৰ ভূমি অধিকাৰ সুৰক্ষা                                        শ্ৰী জীৱেশ ৰায়:

মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বিলাসীপাৰা বিধান সভা সমষ্টিৰ বিভিন্ন অঞ্চলত মাটিৰ শ্ৰেণী বিভাজন (Land classification) সম্পূৰ্ণ নোহোৱা ভূমিত অবৈধ ভাৱে গৃহ নিৰ্মাণৰ ঘটনা চৰকাৰৰ দৃষ্টিগোচৰ হৈছে নেকি?
(খ) এনে গৃহ নিৰ্মাণ ৰোধ কৰিবলৈ জিলা প্ৰশাসনক কি নিৰ্দেশনা দিয়া হৈছে?
(গ) যিসকল ব্যক্তিৰ নাগৰিকত্ব বা আইনী স্থিতি সম্পৰ্কে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত বিষয় বিবেচনাধীন আছে, তেওঁলোকৰ দ্বাৰা চৰকাৰী বা বিতৰ্কিত ভূমিত গৃহ নিৰ্মাণ ৰোধৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?
(ঘ) এনে ঘটনাৰ ফলত খিলঞ্জীয়া লোকৰ ভূমিৰ স্বাৰ্থ আৰু অধিকাৰ সুৰক্ষিত কৰিবলৈ চৰকাৰে কি বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে?
(ঙ) এনে নিৰ্মাণৰ সত্যতা পৰীক্ষাৰ বাবে কোনো বিশেষ অভিযান চলাইছেনে?
(চ) খিলঞ্জীয়া লোকৰ ভূমিৰ অধিকাৰ সুৰক্ষাৰ বাবে নতুন কোনো নীতি বা ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিকল্পনা আছেনে?

## উত্তৰ

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীযুত কেশৱ মহন্ত দেৱে উত্তৰ দিছে-

(ক) জিলা আয়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি – বিলাসীপাৰা বিধান সভা সমষ্টিৰ বহু ঠাইত শ্ৰেণী বিভাজন নোহোৱা ভূমিত গৃহ নিৰ্মাণ কৰা দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত সকলো ভূমিলেখ্য সহায়কক চৰজমিন তদন্ত কৰি প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। কিছুমান লোকে মিছন বসুন্ধৰা ২.০-ৰ অধীনত আবেদনো কৰিছে আৰু সেই অনুসৰি শ্ৰেণী পৰিৱৰ্তনও কৰা হৈছে।
(খ) The Assam Regulation of Reclassification and Reclassification cum Transfer of Lands Act, 2015 ৰ ৪ নং ধাৰা (Section 4) অনুসৰি, উপযুক্ত কৰ্তৃপক্ষৰ লিখিত অনুমোদন অবিহনে কৃষিভূমিত কোনো ধৰণৰ অনা-কৃষি কাৰ্য বা গৃহ নিৰ্মাণ কৰাটো নিষিদ্ধ কৰাৰ ব্যৱস্থা আছে। এনে নিৰ্মাণ কাৰ্য ধৰা পৰিলে জিলা প্ৰশাসনক এই আইনৰ ধাৰা ৮ (Section 8) অনুসৰি জৰিমনা বিহাৰ ব্যৱস্থা আছে।

তদুপৰি The Assam Regulation of Reclassification and Reclassification cum Transfer of Lands Act, 2015 ৰ ৪ নং ধাৰাৰ উপধাৰা (৩) (sub section (3) of Section 4) অনুসৰি, যদি কৃষিভূমিৰ পৰিমাণ ১ (এক) বিঘাতকৈ কম হয় আৰু নিজৰ ঘৰ সজোৱা কামত ব্যৱহাৰ কৰে বা ঘৰটোৰ প্ৰকাৰ দুই মহলাতকৈ কম হয় তেন্তে সেই ভূমিৰ শ্ৰেণী পৰিৱৰ্তনৰ বাবে জিলা আয়ুক্তৰ অনুমোদন বাধ্যতামূলক নহয়।

(গ) অসম ভূমি নীতি, ২০১৯ ৰ অনুসৰি- চৰকাৰী ভূমি বৈধ ভূমিহীন খিলঞ্জীয়া ব্যক্তিৰ ক্ষেত্ৰত পট্টনৰ ব্যৱস্থা আছে।

অসম ভূমি আৰু ৰাজহ অধিনিয়ম (ALRR), ১৮৮৬ ৰ ১৮ নং বিধি (Rule 18) ৰ অধীনত জিলা প্ৰশাসনক (জিলা আয়ুক্ত আৰু চক্ৰ বিষয়া) চৰকাৰী ভূমি, সংৰক্ষিত শ্ৰেণীৰ ভূমি (VGR/PGR) আদিৰ পৰা যিকোনো ধৰণৰ অবৈধ নিৰ্মাণ কাৰ্য, বেদখল আদি তাৎক্ষণিকভাৱে উচ্ছেদ কৰাৰ নিৰ্দেশনা প্ৰদান কৰা হৈছে।

অসম ভূমি নীতি, ২০১৯ ৰ ৬ নং দফা (Clause 6) অনুসৰি চৰকাৰী সংৰক্ষিত শ্ৰেণীৰ ভূমি জিলা প্ৰশাসনৰ দ্বাৰা সজাগ দৃষ্টি ৰখাৰ লগতে বেদখলমুক্ত কৰি ৰখাৰ ব্যৱস্থা আছে ।

(ঘ) অসম ভূমি নীতি, ২০১৯ ৰ ১ নং দফা (Clause 1) ৰ জৰিয়তে বৈধ খিলঞ্জীয়া ভূমিহীন পৰিয়ালৰ ভূমি স্বাৰ্থ সুৰক্ষিত কৰিবলৈ ভূমি পট্টনৰ ব্যৱস্থা কৰা আছে ।

অসম ভূমি আৰু ৰাজহ অধিনিয়ম (ALRR), ১৮৮৬ ৰ অধ্যায় ১০ (Chapter X) ৰ অধীনত সংৰক্ষিত শ্ৰেণীৰ লোক বাস কৰা অঞ্চলসমূহত (Tribal Belts and Blocks) ভূমিৰ সুৰক্ষা নিশ্চিত কৰা হৈছে, যাতে কোনো অনধীকৃত ব্যক্তিয়ে খিলঞ্জীয়া লোকৰ ভূমি অধিকাৰ খৰ্ব কৰিব নোৱাৰে।

ইয়াৰ উপৰিও মিছন বসুন্ধৰা (Mission Basundhara) ৰ জৰিয়তে বৈধ খিলঞ্জীয়া লোকসকলৰ দীৰ্ঘদিনীয়া ভূমি সমস্যা সমাধান কৰি তেওঁলোকক পট্টা প্ৰদানৰ জৰিয়তে ভূমিৰ মালিকীস্বত্বৰ সুৰক্ষা নিশ্চিত কৰা হৈছে।

(ঙ) Assam Land Records Manual-ৰ ১০৭ নং দফা (Clause 107) আৰু The Assam Regulation of Reclassification and Reclassification cum Transfer of Lands Act, 2015 ৰ অনুসৰি Land Record Assistant (LRA) আৰু ক্ষেত্ৰীয় বিষয়াসকলে কৃষিভূমিৰ শ্ৰেণী সলনি কৰি অনধীকৃতভাৱে অনা-কৃষি কাৰ্য বা গৃহ নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা ঘটনাৰ ক্ষেত্ৰভিত্তিক পৰীক্ষা (Field Examination) কৰাৰ ব্যৱস্থা আছে।

ইয়াৰ উপৰিও Assam Land Records Manual-ৰ ১০৭ নং দফা অধীনত Land Record Assistant (LRA )সকলে লাট সমূহত এনে নিৰ্মাণ কাৰ্যৰ সত্যতা পৰীক্ষা কৰে আৰু যদি কোনো কৃষিভূমি অনুমতি অবিহনে অনা-কৃষি কাৰ্য বা গৃহ নিৰ্মাণৰ বাবে ব্যৱহাৰ হোৱা ধৰা পৰে, তেন্তে সেই প্ৰতিবেদন চক্ৰ বিষয়াৰ জৰিয়তে জিলা প্ৰশাসনক প্ৰদান কৰা হয়। ইয়াৰ ভিত্তিত The Assam Regulation of Reclassification and Reclassification cum Transfer of Lands Act, 2015 ৰ অধীনত জিলা প্ৰশাসনে নিৰ্মাণ কাৰ্য বন্ধ কৰা আৰু জৰিমনা বিহাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ ব্যৱস্থা আছে ।

(চ) অসমৰ খিলঞ্জীয়া লোকৰ ভূমিৰ অধিকাৰ সুৰক্ষাৰ বিষয়ে অসম ভূমি আৰু ৰাজহ অধিনিয়ম (ALRR), ১৮৮৬ ত উল্লেখ আছে ।

*********************************